জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

**নং ঃ ২০/২০২১**

## অৰ্কিড ইণ্ডিয়াৰ উদ্যোগত আয়োজিত সপ্তম যুৱ কৃষক মহোৎসৱত অংশ গ্ৰহণ কৰিলে মুখ্যমন্ত্ৰী সোণোৱালে

## কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰে গ্ৰহণ কৰা পদক্ষেপৰ বাবেই উচ্চ শিক্ষিত যুৱক-যুৱতীয়ে কৃষি আৰু ইয়াৰ আনুসংগিক খণ্ডত জড়িত হৈ স্বাৱলম্বী হোৱাৰ দিশত দৃঢ়তা প্ৰদৰ্শন কৰিছে ঃ মুখ্যমন্ত্ৰী

## বিজেপি নেতৃত্বাধীন চৰকাৰ থাকিলে অসমীয়া জাতি সুৰক্ষিত হৈ থাকিব ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ৯ জানুৱাৰী ঃ** ‘মাটিৰ মূল্য আমি সকলোৱে বুজিব লাগিব। উৎপাদন বৃদ্ধিৰ জৰিয়তে কৃষকৰ অৰ্থনৈতিক দিশ শক্তিশালী কৰাৰ লগতে সামগ্ৰিকভাৱে ৰাজ্যৰ অৰ্থনীতি শক্তিশালী কৰিব লাগিব। উৎপাদন বৃদ্ধিৰ বাবে কৃষকসকলে কঠোৰ পৰিশ্ৰম কৰিব লাগিব। কৃষি অৰ্থনীতিৰ জৰিয়তে আমি সোণালী অধ্যায় গঢ় দিব লাগিব।’ আজি অৰ্কিড ইণ্ডিয়াৰ উদ্যোগত লখিমপুৰ জিলাৰ লালুক ক্ৰীড়া সন্থাৰ খেলপথাৰত আয়োজিত সপ্তম যুৱ কৃষক মহোৎসৱত অংশ গ্ৰহণ কৰি মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে এইদৰে কয়।

মুখ্যমন্ত্ৰীয়ে কয় যে বৰ্তমানৰ কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰে কৃষকসকলক আগুৱাই নিয়াৰ বাবে দৃঢ়তাৰে পদক্ষেপ গ্ৰহণ কৰিছে। আজি উঠি অহা ডেকা শক্তি আৰু উচ্চ শিক্ষিত যুৱ প্ৰজন্মই কৃষি আৰু ইয়াৰ আনুসংগিক খণ্ডবোৰত আত্মনিয়োগ কৰিছে। এই কৃষি ভিত্তিক খণ্ডবোৰৰ জৰিয়তে স্বাৱলম্বী হোৱাৰ দিশত দৃঢ়তা প্ৰদৰ্শন কৰিছে। ২০২২ চনৰ ভিতৰত কৃষকৰ উৎপাদন যাতে দুগুণলৈ বৃদ্ধি কৰিব পৰা যায় তাৰ বাবে প্ৰধানমন্ত্ৰীৰ আহ্বানৰ প্ৰতি সঁহাৰি জনাই ৰাজ্য চৰকাৰে বিভিন্ন পদক্ষেপ গ্ৰহণ কৰিছে। ৰাজ্যৰ ৫৭ লাখ কৃষক পৰিয়াল যাতে চৰকাৰী আঁচনিৰ দ্বাৰা উপকৃত হ’ব পাৰে তাৰ বাবে ৰাজ্য চৰকাৰে বিভিন্ন আঁচনি গ্ৰহণ কৰিছে। কেন্দ্ৰীয় চৰকাৰে কৃষকৰ উন্নয়নৰ বাবে কৃষি ফচল বীমা যোজনা, কিষাণ ক্ৰেডিট কাৰ্ড, ছয়েল হেলথ্ কাৰ্ড, কিষাণ সন্মান নিধি, কৃষি সিচাঁই যোজনাৰ দৰে বিভিন্ন অভিলাষী পদক্ষেপ গ্ৰহণ কৰিছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে ৰাজ্য চৰকাৰেও মুখ্যমন্ত্ৰীৰ সমগ্ৰ গ্ৰাম্য উন্নয়ন যোজনাৰ জৰিয়তে ট্ৰেক্টৰ প্ৰদান, মুখ্যমন্ত্ৰীৰ কৃষি সাঁ-সজুলি যোজনাৰ জৰিয়তে কৃষকসকললৈ কৃষি সা-সঁজুলি ক্ৰয়ৰ বাবে ৫ হাজাৰ টকাকৈ প্ৰদান ইত্যাদিৰ দৰে বিভিন্ন আঁচনি গ্ৰহণ কৰিছে। কৃষকৰ স্বাভিমান বৃদ্ধিৰ বাবেই এনেধৰণৰ পদক্ষেপ গ্ৰহণ কৰা হৈছে বুলি তেওঁ কয়। মুখ্যমন্ত্ৰীয়ে কয় যে কৃষকৰ উৎপাদন বৃদ্ধি, কৃষকৰ উৎপাদিত সামগ্ৰী ক্ৰয় কৰা আৰু বজাৰ ব্যৱস্থা শক্তিশালী কৰাৰ বাবেও ৰাজ্য চৰকাৰে ব্যৱস্থা গ্ৰহণ কৰিছে। উৎপাদিত সামগ্ৰীৰ মূল্য সংযোজন কৰিলেহে সামগ্ৰীসমূহ বিশ্ব বজাৰত সমাদৃত হ’ব বুলি মুখ্যমন্ত্ৰীয়ে

কয়। অসমৰ কৃষকে যাতে ধানৰ ন্যূনতম সমৰ্থিত মূল্য প্ৰতি কুইণ্টলত ১৮৬৮ টকা লাভ কৰে তাক সুনিশ্চিত কৰাৰ বাবে ৰাজ্য চৰকাৰে পদক্ষেপ গ্ৰহণ কৰিছে। কৃষকসকলে যাতে তেওঁলোকৰ উৎপাদিত ধান বিক্ৰী কৰিব পাৰে তাৰ বাবেও ব্যৱস্থা গ্ৰহণ কৰা হৈছে। ভাৰতীয় খাদ্য নিগমক ৰাজ্যৰ ২২২ টা উন্নয়ন খণ্ড পৰ্যায়ত ধান ক্ৰয় কৰা কেন্দ্ৰ স্থাপনৰ বাবে আহ্বান জনোৱা হৈছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে ৰাজ্য চৰকাৰে কৃষকৰ স্বাৰ্থ সুৰক্ষিত কৰাৰ বাবে এনেধৰণৰ পদক্ষেপ গ্ৰহণ কৰিছে। ভাষণ প্ৰসংগত মুখ্যমন্ত্ৰীয়ে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক কৃষক দৰদী নেতা বুলিও অভিহিত কৰে।

মুখ্যমন্ত্ৰী সোণোৱালে কয় যে আজি সমগ্ৰ ভাৰতবৰ্ষৰ ভিতৰত অসমে উল্লেখযোগ্য স্থান দখলৰ বাবে শক্তিশালী যাত্ৰা আৰম্ভ কৰিছে। অৰ্থনৈতিকভাৱে সবল কৰাৰ বাবে এই যাত্ৰাত অগ্ৰসৰ হৈছে। আজি ৰাজ্যখনত এক সুস্থ কৰ্ম সংস্কৃতি গঢ়ি উঠিছে। সকলোৰে ঐক্যবদ্ধ প্ৰচেষ্টাত শান্তি প্ৰতিষ্ঠা হৈছে। শান্তি অবিহনে কৰ্ম সংস্কৃতি গঢ় দিয়াটো সম্ভৱ নহয় বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে বৰাক-ব্ৰহ্মপুত্ৰ, পাহাৰ-ভৈয়ামত বসবাস কৰা সকলো জাতি-জনগোষ্ঠীয়ে মিলিত প্ৰচেষ্টাৰে বৰঙণি আগবঢ়োৱাৰ বাবে শান্তি সম্ভৱ হৈ উঠিছে। শান্তিৰ জৰিয়তে কৰ্ম সংস্কৃতিয়েও প্ৰাণ পাই উঠিছে বুলি মুখ্যমন্ত্ৰীয়ে কয়।

কংগ্ৰেছৰ দীৰ্ঘদিনীয়া অপশাসনৰ ওৰ পেলাই দুৰ্নীতি মুক্ত আৰু ভ্ৰষ্টাচাৰ মুক্ত অসম গঢ়াৰ বাবে ৰাজ্যৰ জনসাধাৰণে ২০১৬ চনত বিজেপি নেতৃত্বাধীন ৰাজ্য চৰকাৰখনক শাসনত বহুৱাইছিল। ৰাজ্য চৰকাৰে যিবোৰ প্ৰতিশ্ৰুতি প্ৰদান কৰিছিল যোৱা চাৰে চাৰি বছৰে সেই প্ৰতিশ্ৰুতি পূৰণ কৰাৰ বাবে নিৰলস প্ৰয়াস চলোৱাৰ বাবে অসমৰ প্ৰতিটো জাতি-জনগোষ্ঠীৰ স্বাভিমান আৰু মৰ্যাদা বৃদ্ধি পাইছে। তেওঁ কয় যে প্ৰতিটো জাতি-জনগোষ্ঠীৰ মৰ্যাদা, পৰম্পৰাগত মূল্যবোধ, কৃষ্টি-সংস্কৃতি, ঐতিহ্যক বিকশাই তোলাৰ বাবে বৰ্তমানৰ ৰাজ্য চৰকাৰখনে দায়বদ্ধতাৰে কাম কৰি আহিছে। আজি সেইবাবে ভাৰতীয় জনতা পাৰ্টীৰ ওপৰত ৰাইজৰ আস্থা আৰু বিশ্বাস বৃদ্ধি পাইছে। প্ৰতিটো জনগোষ্ঠীয়ে চৰকাৰী পদক্ষেপসমূহলৈ আন্তৰিকতাৰে সহযোগিতা আগবঢ়াইছে। এসময়ত হত্যা, লুণ্ঠন, অপহৰণ ইত্যাদিৰ ৰাজ্য বুলি অসমৰ বাহিৰত যি দুৰ্নাম আছিল সেয়া আমি কৰ্মৰ মাজেদি সলনি কৰিবলৈ সক্ষম হৈছো। ৰাজ্যৰ বাহিৰৰ লোকসকলে আজি অসমক এক শান্তিপূৰ্ণ আৰু উন্নয়নৰ গতিৰে আগবঢ়া ৰাজ্য বুলি বুজি উঠিছে বুলিও তেওঁ কয়।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ২০১৪ চনত শাসনভাৰ গ্ৰহণ কৰিয়েই সকলোৰে স্বাৰ্থত সম-উন্নয়নৰ বাবে কাম কৰি অহাৰ ফলত এক সুস্থ আৰু সবল গণতান্ত্ৰিক বাতাবৰণৰ সূচনা হৈছে। কংগ্ৰেছে সুদীৰ্ঘ ৫৫ বছৰে যি কাম কৰিব পৰা নাছিল, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ৬ বছৰীয়া শাসনকালত সেই কথা সম্ভৱ কৰি তুলিছে। ভাৰতবৰ্ষৰ বুকুত প্ৰতিগৰাকী ব্যক্তিয়ে যাতে সন্মান সহকাৰে জীৱন-যাপন কৰিব পাৰে তাৰ বাবে প্ৰধানমন্ত্ৰীয়ে দৃঢ়তাৰে পদক্ষেপ গ্ৰহণ কৰি আহিছে। জন-ধন যোজনাৰ জৰিয়তে দুখীয়া জনসাধাৰণক আৰু অসংগঠিত শ্ৰমিকক বেংকৰ লগত সংযোগ স্থাপনৰ জৰিয়তে একবিংশ শতিকাত সমভাৱে আগুৱাই যোৱাৰ বাবে পৰিৱেশ সৃষ্টি কৰিছে। কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰৰ সকলো আঁচনিৰ ধন বেংকৰ জৰিয়তে হিতাধিকাৰীয়ে লাভ কৰাটো সুনিশ্চিত কৰাৰ ফলত সকলো শ্ৰেণীৰ ৰাইজে চৰকাৰী আঁচনিৰ ধন ১০০ শতাংশই লাভ কৰিবলৈ সক্ষম হৈছে। পূৰ্বতে মধ্যভোগীয়ে হিতাধিকাৰীৰ নামত আৱণ্টিত ধন আত্মসাৎ কৰিছিল। ইয়াৰ ফলত কোটি কোটি জনসাধাৰণে প্ৰাপ্য অধিকাৰৰ পৰা বঞ্চিত হৈছিল। মুখ্যমন্ত্ৰীয়ে কয় যে

বৰ্তমানৰ ৰাজ্য চৰকাৰে প্ৰতিখন জিলাৰ সম-উন্নয়নত গুৰুত্ব আৰোপ কৰি আহিছে।

মুখ্যমন্ত্ৰীয়ে কয় যে ভাৰতীয় জনতা পাৰ্টী নেতৃত্বাধীন ৰাজ্য চৰকাৰখনে অসমক সুৰক্ষিত কৰাৰ বাবে পদক্ষেপ লৈছে। পূৰ্বে এনেধৰণৰ পদক্ষেপ গ্ৰহণ কৰা হোৱা নাছিল। মুখ্যমন্ত্ৰীয়ে কয় যে ১ লাখ ১০ হাজাৰ খিলঞ্জীয়া ভূমিপুত্ৰক মাটিৰ পট্টা প্ৰদান কৰা হৈছে আৰু চলিত মাহতে ১ লাখ খিলঞ্জীয়া ভূমিপুত্ৰক মাটি পট্টা প্ৰদান কৰা হ'ব। ক্ষুদ্ৰ চাহ খেতিয়কসকলকো মাটিৰ পট্টা দিয়াৰ কাম শুভাৰম্ভ কৰিছে। এইখন চৰকাৰ ৰাইজৰ মৰমৰ চৰকাৰ বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে বিজেপি নেতৃত্বাধীন চৰকাৰ থাকিলে অসমীয়া জাতি সুৰক্ষিত হৈ থাকিব। বৰ্তমানৰ ৰাজ্য চৰকাৰে কামে-কাজে যি পদক্ষেপ গ্ৰহণ কৰিছে পূৰ্বৰ চৰকাৰে তেনে ধৰণৰ শক্তিশালী পদক্ষে গ্ৰহণ কৰিব পৰা নাছিল বুলিও মুখ্যমন্ত্ৰীয়ে কয়।

অৰ্কিড ইণ্ডিয়াৰ অধ্যক্ষ ঋষিৰাজ হাজৰিকাই আদৰণী ভাষণ দিয়া আজিৰ এই অনুষ্ঠানত কেন্দ্ৰীয় খাদ্য সংসাধন দপ্তৰৰ ৰাজ্যিক মন্ত্ৰী ৰামেশ্বৰ তেলী, পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী নৱ কুমাৰ দলেও ভাষণ প্ৰদান কৰে। অনুষ্ঠানত বিধায়কদ্বয় দেৱানন্দ হাজৰিকা আৰু চক্ৰধৰ গগৈ, অসম বিত্ত নিগমৰ অধ্যক্ষ বিজয় কুমাৰ গুপ্তা, অসম কৃষি বিশ্ববিদ্যালয়ৰ প্ৰাক্তন উপাচাৰ্য ড° কমলমল্ল বুজৰবৰুৱা, কিষাণ সংঘৰ সাংগঠনিক সম্পাদক কৃষ্ণ বৰা, বিশিষ্ট সমাজকৰ্মী মন্তোৰাম জী, শিল্পী বিদ্যা সাগৰ, অভিনেতা যতীন বৰা প্ৰমুখ্যে গণ্য-মান্য ব্যক্তিসকল উপস্থিত থাকে।

**মঃচাঃ / পুঃডেঃ**
**৯/০১/২০২১**